# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই৪) য়ে ২০২০ চনৰ ০৪ মে মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনা ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আজি এজন বদৰি চাহাবী হজৰত খাববাব বিন আৰাত (ৰাঃ)ৰ জীৱণৰ কিছুমান ঘটনা সম্পৰ্কে বৰ্ণনা কৰা হব। কবিলা বণু ছাআদ বিন জায়েদৰ সৈতে হজৰত খাববাব (ৰাঃ)ৰ সম্পৰ্ক আছিল। এখেত (ৰাঃ)ৰ দেউতাকৰ নাম আছিল আৰাত বিন জন্দলা। সেই মূৰ্খতাৰ যুগত এখেতক দাস হিচাপে বিক্ৰী কৰি দিয়া হৈছিল। প্ৰাথমিক অৱস্থাতে ইছলাম গ্ৰহন কৰা সকলৰ মাজত এখেত (ৰাঃ) ছয় নম্বৰ স্থানত আছিল। এখেত (ৰাঃ) সেই দুখ ভোগ কৰোঁতা সকলৰ এজন আছিল, যি সকলে নিজৰ এই ইছলাম প্ৰচাৰ কৰাৰ কাৰণে কঠিন দুখ-যন্ত্ৰণা ভুগিব লগীয়া হৈছিল। এখেত (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)য়ে দ্বাৰে আৰকমলৈ আহি যোৱাৰ আগতেই ইছলাম গ্ৰহন কৰিছিল।

হজৰত খাববাব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে - এবাৰ মই ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত আবেদন জনাইছিলোঁ যে আপুনি আমাৰ বাবে সহায় প্ৰাৰ্থনা নকৰিবনে ? তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল - তোমালোকৰ পূৰ্বত যি সকল লোক পাৰ হৈ গৈছে, তেওঁলোকৰ মাজত থকা এজন ব্যক্তিৰ বাবে মাটিত গাঁত খন্দা হৈছিল আৰু সেই গাঁত খনত তাক পুতি থোৱা হৈছিল। ইয়াৰ পিছত লোৰ গধূৰ ধাৰাল অস্ত্ৰ সদৃশ আনি তাৰ মূৰৰ ওপৰত ৰাখি তাক ফালি দুটুকুৰা কৰা হৈছিল তথাপি সেই ব্যক্তিজনে নিজৰ দ্বীনৰ পৰা আঁতৰি যোৱা নাছিল। আকৌ লোৰ ফণীৰে তাৰ শৰীৰৰ মাংস হাড়ৰ পৰা ছিঙি ফালি এৰুৱাই লোৱা হৈছিল, এনে দুৰ্ভোগেও তাক নিজৰ দ্বীনৰ পৰা বাধা ৰাখিব নোৱাৰিছিল। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে কৈছিল - "আল্লাহৰ কছম" আল্লাহ নিশ্চয় সেই কাম সম্পূৰ্ণ কৰিহে এৰিব, ইমানেই যে আদিৰ পৰা অন্তলৈ ইয়াৰ বাগত্তোৰ হাতত ৰাখিব, আৰু তাৰ খোদাৰ বাহিৰে আন কাৰোবালৈ একো ভয় নাই। কিন্তু তোমালোকে বৰ সোনকালে কৰি থাকা !

হজৰত খাববাব (ৰাঃ) পেশাত এজন কমাৰ আছিল আৰু তৰোৱাল বনোৱা কাম কৰিছিল। ৰছুলুল্লাহ (ছাঃ)য়ে তেখেতক বৰ ভাল পাইছিল আৰু মাজে সময়ে এখেত (ৰাঃ)ৰ ওচৰলৈ গৈছিল। এই কথাখিনি হজৰত খাববাব (ৰাঃ)ৰ কামৰ মালিকিনীয়ে গম পাইছিল যে অৰ্থ্যাৎ খবৰ পাইছিল যে আঁহজৰত (ছাঃ)য়ে হজৰত খাববাব (ৰাঃ)ৰ ওচৰত মাজে সময়ে আহি থাকে। সেই কাৰণে তাই গৰম লোৰে হজৰত খাববাব (ৰাঃ)ৰ মূৰত দাগ দিছিল। হজৰত খাববাব (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ ওচৰত এই বিষয়ে অভিযোগ কৰিছিল। তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল হে আল্লাহ ! খাববাবক সহায় কৰা। গতিকে পিছত ফল এয়া দেখা গৈছিল যে হজৰত খাববাব (ৰাঃ)ৰ মালিকিনীৰ মূৰত দেখা দিছিল আৰু তাই কুকুৰৰ দৰে ভূক-ভূকনি শব্দ কৰিছিল। তাইক কোৱা হৈছিল যে তুমি মূৰত গৰম লোৰে দাগ লগোৱা। গতিকে হজৰত খাববাব (ৰাঃ)য়ে লো গৰম কৰি তাইৰ মূৰত দাগ দিছিল। তাই যেতিয়াই যন্ত্ৰণাত অধৈৰ্য হৈ পৰিছিল তেতিয়া হজৰত খাববাব (ৰাঃ)ৰ ওচৰত আহি নিজৰ মূৰত গৰম লোৰ সেক বা দাগ লগোৱাইছিল।

এবাৰ হজৰত খাববাব (ৰাঃ) য়ে হজৰত উমৰ (ৰাঃ)ৰ ওচৰত আহিছিল আৰু তেখেত (ৰাঃ)য়ে হজৰত খাববাব (ৰাঃ)ক নিজৰ কাষতে বহুৱাই কৈছিল যে ভূ-পৃষ্ঠত কোনো ব্যক্তিয়েই এই মজলিচত বহাৰ এওঁতকৈ বেছি অধিকাৰ নাৰাখে মাত্ৰ এজন ব্যক্তিৰ বাদে। তেতিয়া হজৰত খাববাব (ৰাঃ)য়ে সুধিছিল, সেইজন ব্যক্তি কোন হয় ? হজৰত উমৰ (ৰাঃ)য়ে কৈছিল সেইজন হ'ল বিলাল (ৰাঃ)। হজৰত খাববাব (ৰাঃ)য়ে কৈছিল যে হে আমিৰুল মোমিনিন তেওঁৰ মোতকৈ বেছি অধিকাৰ নাই। কাৰণ বিলাল যেতিয়া মুশৰিক সকলৰ অধীনত আছিল তেতিয়া কোনো নহয় কোনোবায় তাক সহায়

কৰোঁতা আছিল, যাৰ জৰিয়তে আল্লাহ তায়ালায় তাক ৰক্ষা কৰিছিল। কিন্তু মোৰ বাবে কোনো নাছিল যে সি মোক ৰক্ষা কৰিব। এদিন মই নিজকে এনেকুৱা অৱস্থাত দেখিলো যে কিছুমান মানুহে মোক ধৰি ৰাখিছে আৰু মোৰ বাবে জুঁই জ্বলাইছে আকৌ তেওঁলোকে মোক সেই জুঁইত নিক্ষেপ কৰিলে আৰু এজন লোকে মোৰ বুকুৰ ওপৰত তাৰ ভৰিৰে হেঁচি ধৰিছে। তেতিয়া সেই জ্বলি থকা কয়লা নুমাই দিবলৈ মোৰ শৰীৰৰ ছাল আৰু চৰ্বিৰ বাহিৰে একোৱে নাছিল। এইবোৰ গলি গলি সেই অগ্নি নুমাই গৈ আছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত খাববাব (ৰাঃ)ৰ বিষয়ে কৈছে যে - মনত ৰখা উচিত হব যে ৰছুলে কৰিম (ছাঃ)ৰ ওপৰত ঈমান স্থাপন কৰি যি সকলে আটাইতকৈ বেছি কষ্ট, যন্ত্রণা ভোগ কৰিছে, তেওঁলোকে আছিল দাস (গোলাম)। খাববাব বিন আল আৰাও, যাৰ পেশা আছিল কমাৰ কাম কৰা, এওঁ ইছলামৰ আৰম্ভণীতেই আঁহজৰত (ছাঃ)ৰ ওপৰত ঈমান স্থাপন কৰিছিল। মানুহে তেখেতক বৰ দুখ-যন্ত্রণা দিছিল ইমানেই যে ৰান্ধনীশালৰ কয়লাৰ অঙঠা আনি তাৰ ওপৰত খাববাব (ৰাঃ)ক শুৱাই দিছিল আৰু ওপৰত পাথৰেৰে চেপা দিছিল যাতে লৰচৰ কৰিব নোৱাৰে। এখেত (ৰাঃ)য়ে পাৰিশ্ৰমিক হিচাপে লোৱা টকাখিনি যাৰ যাৰ হাতত আছিল, তেওঁলোকেওঁ সেয়া দিবলৈ অস্বীকাৰ কৰিছিল। কিন্তু এনেকুৱা অত্যাচাৰ কৰা সত্বেও আৰু ধন-সম্পদৰ ক্ষতি আৰু প্ৰাণৰ সংশয়ে লৈও এক মিনিটৰ বাবেও দুৰ্বলতা নানিছিল, আৰু খাববাৰ (ৰাঃ)য়ে নিজৰ ঈমান অটুট ৰাখিছিল।

এখেত (ৰাঃ)য়ে কৈছে যে এবাৰ এজন নতুন মুছলমান গোলাম খাববাব (ৰাঃ)ৰ পিঠিত কাপোৰ নথকাত তেখেতৰ লগৰীয়া সকলে দেখিছিল যে তেখেত (ৰাঃ)ৰ পিঠিৰ ছাল মানুহৰ পিঠিৰ ছালৰ দৰে নহয় বৰং জন্তুৰ ছালৰ দৰেহে দেখা গৈ আছে। তেওঁলোকে ভয় খাই গৈছিল আৰু তেখেত (ৰাঃ)ক সুধিছিল যে এয়া আপোনাৰ কি বেমাৰ হৈছে ? তেতিয়া এখেত (ৰাঃ)য়ে হাঁহি হাঁহি কৈছিল যে এয়া কোনো বেমাৰ নহয় বৰং, এয়া সেই সময়ৰ স্মৃতি চিহ্ন যেতিয়া নতুন মুছলমান দাস সকলক আৰৱৰ লোক সকলে মক্কাৰ বাটে বাটে কঠিন আৰু খহটা পাথৰৰ ওপৰেদি চুচুৰাই ফুৰিছিল আৰু ধাৰাবাহিক ভাৱে আমালোকৰ ওপৰত এই অত্যাচাৰ চলাই গৈছিল। ইয়াৰেই পৰিণতি স্বৰূপে মোৰ পিঠিৰ ছালৰ অৱস্থায় এনে ৰূপ ধাৰণ কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আবু খালিদে বৰ্ণনা কৰিছে যে এদিন মই মছজিদত বহি আছিলো এনেতে হজৰত খাববাব (ৰাঃ)য়ে ভিতৰলৈ সোমাই আহি নীৰৱে বহিছিল। লোক সকলে তেখেতক কৈছিল যে আপুনি কিবা বয়ান (বৰ্ণনা)কৰক নাইবা কিবা আদেশ দিয়ক। হজৰত খাববাব (ৰাঃ)য়ে কৈছিল যে মইনো কি কথাৰ আদেশ দিম, এনেকুৱা যেন নহয় যে কোনো এনেকুৱা বিষয় এটাৰ আদেশ দিওঁ, যি মই নিজেই নকৰোঁ। এয়া আছিল তেখেত সকলৰ আল্লাহ তায়ালাৰ প্ৰতি ভয় আৰু তাকওৱাৰ মানদণ্ড।

তাৰিকৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)ৰ চাহাবা সকলৰ এটা জমাতে হজৰত খাববাব (ৰাঃ)ক বেমাৰ থকা অৱস্থাত চাবলৈ গৈছিল। তেওঁলোকে কৈছিল হে আবু আব্দুল্লাহ তুমি আনন্দিত হোৱা যে তুমি নিজৰ ভাই সকলৰ ওচৰত হাউজে কাওছাৰলৈ গৈ আছা। হজৰত খাববাব (ৰাঃ)য়ে কৈছিল যে তোমালোকে মোক সেই ভাই সকলৰ কথা কৈছানে যি সকলে অতীত হৈ গৈছে আৰু তেওঁলোকে নিজৰ ফলস্বৰূপে একোৱে পোৱা নাই আৰু আমি সিহঁতৰ পিছত বাকী ৰৈ আছো,আমাক পাৰ্থিৱ সেই সকলোবোৰ উপলব্দ হৈছে, যাৰ সম্পৰ্কে আমি ভয় কৰো যে সম্ভৱত এইবোৰ আমাৰ অতীতৰ কৃতকাৰ্য্যৰ নেকি (ছোৱাব) হয়। হজৰত খাববাব (ৰাঃ)য়ে কঠিন এক দীঘলীয়া সময় বেমাৰত আক্ৰান্ত আছিল।

হজৰত খাববাব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে - মই নবী কৰিম (ছাঃ)ৰ লগতেই হিজৰত কৰিছো। মই সদায় আল্লাহ তায়ালাৰ সন্তুষ্টি বিচাৰিছিলো আৰু আমাৰ পুৰস্কাৰ আল্লাহৰ অধীনস্ত আছে। আমাৰ মাজত কিছুমান এনেকুৱাও আছে, যি সকলৰ মৃত্যু হৈছে কিন্তু সিহঁতে নিজৰ পুৰস্কাৰৰ পৰা একোৱে পোৱা নাই। সিহঁত সকলৰ মাজত হজৰত মুছাআব বিন উমিৰও আছে আৰু আমাৰ মাজত কিছুমানে এনেকুৱা আছে, যি সকলৰ ফল পকি আহিছে (অৰ্থ্যাৎ অন্তিম সময় ওচৰ পাইছে) আৰু তেওঁলোকে সেই ফল বাছিবলৈ লৈছে। হজৰত মুছাআব (ৰাঃ) অহুদৰ যুদ্ধত শ্বহীদ হৈছিল আৰু আমি মাত্ৰ এখন চাদৰ পাইছিলো, যাৰ হতুৱাই আমি তেখেতক কফন দিছিলো যেতিয়া আমি সেই চাদৰেৰে তেখেতৰ মূৰ ঢাকিছিলো তেতিয়া তেখেতৰ ভৰি ওলাই পৰিছিল আৰু যদি ঢাকিব চেষ্টা কৰিছিলো মূৰ ওলাই পৰিছিল। তেতিয়া নবী কৰিম (ছাঃ)য়ে

কৈছিল যে মই তাৰ মূৰটো চাদৰেৰে ঢাকি দিওঁ আৰু ভৰি দুখনৰ ওপৰত ঘাহ দি ঢাকি দিয়া।

জায়েদ বিন ওহাব বৰ্ণনা কৰিছে যে - আমি হজৰত আলি (ৰাঃ) ৰ সৈতে চফিনৰ যুদ্ধৰ পৰা ওভতি আহি আছিলো, যেতিয়া আমি আহি কোফাৰ দুৱাৰ মুখ পাইছিলো, দেখিছিলো যে আমাৰ সোফালে সাতোটা কবৰ আছে। হজৰত আলি (ৰাঃ)য়ে সুধিছিল যে এইখন কাৰ কবৰ ? লোক সকলে কৈছিল হে আমিৰুল মোমিনিন, আপুনি চফিনলৈ যোৱাৰ পিছত হজৰত খাববাৰ মৃত্যু হৈছে। তেখেতে অছিয়ত কৰিছিল যে তাক যেন কোফাৰ বাহিৰত দফন কৰা হয়। সেই ঠাইত এয়া ৰীতি-নীতি আছিল যে নিজৰ মৃতক সকলক নিজৰে দুৱাৰ ডলিত নাইবা ঘৰৰ সন্মুখত দফন কৰিছিল। কিন্তু যেতিয়া সিহঁতে দেখিছিল যে হজৰত খাববাৰ (ৰাঃ)য়ে নিজকে বাহিৰত দফন কৰিবলৈ অছিয়ত কৰিলে, তেতিয়াৰে পৰাই বেলেগ লোক সকলেও বাহিৰত দফন কৰিবলৈ আৰম্ভ কৰিলে। হজৰত আলি (ৰাঃ)য়ে এয়া শুনি কৈছিল যে হে আল্লাহ খাববাৰ ওপৰত দয়া বৰ্ষন কৰা, তেওঁ নিজৰ ইচ্ছাতে ইছলাম গ্ৰহন কৰিছিল আৰু তেখেতে আনুগত্যৰ খাতিৰত হিজৰত কৰিছিল আৰু এজনজিহাদী হিচাপে জীৱন- যাপন কৰিছিল, আৰু শাৰীৰিক হিচাপেও তাক পৰীক্ষা কৰা হৈছে। যিজন ব্যক্তিয়ে সজ কাম কৰে আল্লাহ তাৰ ফল নষ্ট হব নিদিয়ে অৰ্থ্যাৎ এখেত (ৰাঃ)ৰ শাৰীৰিক কষ্ট আৰু বেমাৰ বহুদিন চলিছিল। আকৌ হজৰত আলি (ৰাঃ)য়ে কৈছে যে - আৰু যি সকল ব্যক্তিয়ে সজ কাম কৰিব আল্লাহ সিযংতৰ পুৰষ্কাৰ বিনষ্ট নকৰে। হজৰত আলি (ৰাঃ)য়ে সেই কবৰ বিলাকৰ ওচৰলৈ গৈছিল আৰু কৈছিল তোমালোকৰ ওপৰত শান্তি অৱতীৰ্ণ হওঁক হে কবৰস্ত সকল যিজন মোমিন আৰু মুছলমান হোৱা তোমালোকে আগতে গৈ আমাৰ বাবে সুবিধা (সহজ) কৰোঁতা হোৱা আৰু আমি তোমালোকৰ পিছে পিছে আহি আছো, প্ৰায় তোমালোকক লগ পাবৰে হৈছে। হে আল্লাহ ! আমাক আৰু সিহঁতক ক্ষমা কৰা আৰু নিজৰ দয়া কৃপাৰ জৰিয়তে আমাৰ আৰু সিহঁতৰ লগত দয়া প্ৰৰণ হোৱা। সুসংবাদ হল সেই সকলৰ বাবে যি সকলে আখেৰাতৰ কথা ভাৱি আৰু হোচাপ; কিতাপৰ নিমিত্তে সজ আমল কৰে আৰু যিবিলাক তাৰ প্ৰয়োজন পূৰ কৰোঁতা বস্তু তাৰ ওপৰত অলপতে সন্তুষ্ট বা তৃপ্ত হয় আৰু মহা পৰাক্ৰমী আল্লাহক সন্তুষ্ট ৰাখে। হজৰত খাববাৰ (ৰাঃ) ৩৭ হিজৰিত ৭৩ বছৰ বয়সত মৃত্যুবৰণ কৰিছিল। আমিন)

“আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওয়া নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ”।

**Assamese Khulasa Khutba Jumma Huzoor Anwar 04 MAY . 2020**

**(BOOK POST PARINTED MATTER)**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844